কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়

ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস পালন

গুৱাহাটী, ১৩ আগষ্ট ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰে গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান বিভাগৰ সহযোগত কালি ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস উদ্‌যাপন কৰে। অনুষ্ঠানটো পদ্মশ্ৰী ড° এছ আৰ ৰংগনাথনৰ জয়ন্তী উপলক্ষে আয়োজন কৰা হয় আৰু ইয়াৰ মূল বিষয়বস্তু আছিল 'ৰিডিং এজ এ টুল ফৰ পার্ছনেল গ্ৰ'থ'। বিশিষ্ট সমালোচক ময়ূৰ বৰাই অনুষ্ঠানত ভাষণ প্ৰদান কৰে। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাই দ্ৰুতভাৱে তথ্যৰ যোগান ধৰিলেও গভীৰভাৱে পঢ়াৰ অভ্যাসে সমালোচনামূলক চিন্তাশক্তি, সৃজনশীলতা, মানসিক পৰিপক্কতা আৰু সমাজ-সংস্কৃতিৰ গভীৰ বোধ গঢ়ি তোলে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ড° গোবিন্দ ডেকাই মুক্ত আৰু দূ�ৰশিক্ষা ব্যৱস্থাত গ্ৰন্থাগাৰৰ গুৰুত্ব আৰু আজীৱন শিক্ষাৰ বিকাশত ইয়াৰ ভূমিকা সম্পৰ্কে আলোকপাত কৰে। প্ৰফেছৰ এন এন শৰ্মাই ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলক গভীৰ অধ্যয়ন আৰু চিন্তনৰ বাবে গ্ৰন্থ পঢ়াৰ মূল্য উপলব্ধি কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক প্ৰফেছৰ প্ৰণৱ শইকীয়ায়ো অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত এশৰো অধিক লোক উপস্থিত থাকে।

সাংস্কৃতিক মন্ত্ৰালয়
ভাৰত চৰকাৰ

ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, গুৱাহাটী

(ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ এক গোট) সাংস্কৃতিক মন্ত্ৰালয়, ভাৰত চৰকাৰ
জয়াহৰ নগৰ খানাপাৰা, গুৱাহাটী, অসম - ৭৮১০২২

ৰাক ইন পৰীক্ষা (২৫-০৮-২০২৬ তাৰিখে)

(বিজ্ঞাপন নং ০২/২০২৬)

ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ গুৱাহাটীত প্ৰতি মাহে ৩৫,০০০/- টকা জলপানি ভিত্তিত 'চাইন্স কমিউনিকেটৰ্ছ' এবছৰৰ বাবে অৰ্হতা সম্পন্ন প্ৰাৰ্থীক ৰাক ইন পৰীক্ষাত যাবতীয় নথিপত্ৰ সহ অবতীৰ্ণ হ'বলৈ আহ্বান জনোৱা হৈছে। এই পদ এবছৰৰ বাবে যদিও প্ৰথম বৰ্ষৰ সন্তোষজনক প্ৰদৰ্শন আৰু বিজ্ঞান কেন্দ্ৰৰ বিবেচনাৰ ওপৰত ভিত্তি কৰি অতিৰিক্ত এবছৰলৈ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে।

প্ৰাৰ্থীসকলক অহা ২৫-০৮-২০২৬ তাৰিখে পুৱা ৯:০০ বজাত ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, খানাপাৰা গুৱাহাটী-৭৮১০২২ৰ সম্মীলন কক্ষত অনুষ্ঠিত হ'বলগীয়া ৰাক ইন পৰীক্ষাত উপস্থিত থাকিবলৈ পৰামৰ্শ দিয়া হৈছে। যোগ্যতাৰ মাপকাঠী আৰু অন্যান্য সবিশেষ জানিবলৈ অনুগ্ৰহ কৰি ৱেবছাইট https://rscguwahati.gov.in/ চাওক।

KKHSOU celebrates National Librarians' Day with focus on reading

STAFF REPORTER

GUWAHATI, Aug 13: Krishna Kanta Handiqui State Open University (KKHSOU) celebrated the 134th National Librarians' Day on Wednesday with a programme organised by its Central Library in collaboration with the Discipline of Library and Information Science. The event commemorated the birth anniversary of Padma Shri Dr S R Ranganathan and focused on the theme "Reading as a Tool for Personal Growth". Renowned Assamese writer, literary critic and motivational speaker Mayur Bora delivered a lecture on the theme and highlighted the importance of reading in developing critical thinking, creativity, emotional maturity and a deeper understanding of society and culture.

Speaking at the programme, Dr Gobinda Deka, Director (i/c), GPDSoIVS, emphasised the role of libraries in supporting open and distance learning and promoting lifelong education. Prof N N Sharma, Director, MDSoM, BKCIKS, encouraged students and researchers to read printed books for deeper learning and reflection. KKHSOU Registrar Prof Pranab Saikia also attended the event.

More than 100 participants attended the programme, which was also livestreamed on Facebook and had attracted over 6,000 online viewers. The programme concluded with a vote of thanks by Dibyajyoti Patgiri, Assistant Librarian, Central Library, KKHSOU.